# THE ASSAM VALLEY SCHOOL

ENTRANCE EXAMINATION

SUBJECT: ASSAMESE

## FOR ADMISSION TO <u>CLASS - 9</u>

Time : 45 Minutes M.M. 50

## (TO BE FILLED IN BY THE CANDIDATE)

| | |
|---|---|
| Name | ................................ |
| Date of Birth | ................................ |
| Studying in class | ................................ |
| Class in which admission is desired | ................................ |
| Registration Number | ................................ |
| Name of Centre | ................................ |
| Date | ................................ |

## (TO BE FILLED IN BY EXAMINER)

| | |
|---|---|
| MARKS OBTAINED IN PERCENTAGE | ........................................ |
| INITIALS OF EXAMINER | ........................................ |
| SIGNATURE OF THE EXAMINER | ........................................ |
| INITIALS OF THE CHAIR | ........................................ |
| SIGNATURE OF THE CHAIR | ........................................ |
| COMMENT OF THE CHAIR | ........................................ |

The Assam Valley School
Entrance Test
ASSAMESE
Class 9

Max. Marks: 50 Time: 45 Minutes

All questions ar compulsory
Give all the answers in ASSAMESE only. Space is provided herewith for writing answers.

**Question 1:**

Read the passage given below and answer the questions in your own words as far as possible: [ 4 x 5 = 20]

তলত দিয়া কথাংশ পঢ়া আৰু প্ৰশ্নবোৰৰ উত্তৰ নিজৰ কথাৰে দিবলৈ চেষ্টা কৰা।

" মানৱ জীৱনত সকলো কাম সময়মতে সমাধা কৰাটোৱেই হ'ল নিয়মানুবৰ্ত্তিতা। নিয়মানুবৰ্ত্তিতা মানি চলা মানুহে সকলো কাম সময়মতে সমাধা কৰি জীৱনত প্ৰতিষ্ঠা লাভ কৰে। সময়ৰ কাম সময়ত কৰা এটা মহৎ গুণ। আমি আটায়ে সময়ৰ মূল্য জনা আৰু বুজা উচিত। সময়ক ধনুৰ পৰা এৰি দিয়া কাঁড়ৰ লগত তুলনা কৰা হয়। এবাৰ এৰি দিয়া কাঁড় যিদৰে ঘূৰি নাহে , সেইদৰে এবাৰ পাৰ হৈ যোৱা সময়ো আৰু কেতিয়াও ঘূৰি নাহে। সময়েই মানুহৰ জীৱনত আটাইতকৈ মূল্যৱান বস্তু। আমি কোনো চিৰদিন জীয়াই থাকিব নোৱাৰোঁ। আমাৰ জীৱন তেনেই খন্তেকীয়া। এই কম সময়তে আমি জীৱনত বহুত কাম কৰিব লগীয়া হয়। সেইকাৰণে সময় মতে চলা মানুহে কম সময়তে বহুত কাম কৰি জীৱনটো সাৰ্থক কৰিব পাৰে।

নিয়মানুবৰ্ত্তিতা মানি চলা ছাত্ৰই সদায় সময়মতে পঢ়াশালীলৈ যায় আৰু পঢ়া - শুনা কৰে। তেওঁলোকক আটায়ে প্ৰশংসা কৰে আৰু ভাল পায়। যিসকল ছাত্ৰ - ছাত্ৰীয়ে নিয়মীয়াকৈ পঢ়াশালীত উপস্থিত নাথাকে, তেওঁলোকে শিক্ষকৰ কোনো প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে। পৰীক্ষাত ভাল ফলাফল দেখুৱাব নোৱাৰে। তেওঁলোকে আনকো ফাকি দিয়ে আৰু নিজকো ফাঁকি দিয়ে। অকল পঢ়া - শুনাতে সময় মতে চলিলে নহ'ব। খেলা - ধূলা , অন্যান্য কাম কাজতো নিয়মানুবৰ্ত্তিতা মানি চলিব লাগিব। বৰ্ত্তমান যুগত সকলো মানুহেই ব্যস্ত। গতিকে এই ব্যস্ত জীৱনত সময়মতে কাম কৰিলেহে মানুহে উন্নতিৰ পথত আগবাঢ়িব পাৰে।"

১) নিয়মানুবৰ্ত্তিতা মানে কি বুজি পাইছা ?

------------------------------------------------------------

------------------------------------------------------------

------------------------------------------------------------

------------------------------------------------------------

২) সময়ক কিয় ধনুৰ পৰা ওলাই যোৱা কাঁড়ৰ লগত তুলনা কৰা হৈছে ?

---

---

---

---

৩) কোনবোৰ মানুহে জীৱনত উন্নতি কৰিব পাৰে ?

---

---

---

---

৪) নিয়মানুবৰ্ত্তিতা মানি চলা ছাত্ৰ - ছাত্ৰীয়ে কেনেকৈ উন্নতি কৰিব পাৰে ?

---

---

---

---

৫) সময়মতে নচলা ছাত্ৰ - ছাত্ৰীয়ে কিয় কষ্ট ভুগিব লগা হয় ?

---

---

---

---

**Question 2:**

Give opposite of the underlined words taken from the passage. **[10 x 1 = 10]**
ওপৰৰ কথাংশত দিয়া আঁচটনা শব্দ কেইটাৰ বিপৰীত শব্দ লিখা।

জীৱনত ------------------ সমাধা ---------------- গুণ ----------------- জনা -----------------

বুজা ------------------ বহুত ------------ ভাল পায় ---------------- উন্নতি -----------------

ফাকি ------------- নিয়মীয়াকৈ -----------------

**Question 3:**

Write a letter on the given topic: **[10]**

তলত দিয়া বিষয়টি লৈ এখনি চিঠি লিখা।

এখন নতুন স্কুলত বহি এতিয়া যে তুমি পৰীক্ষা দি আছা তোমাৰ কেনে লাগিছে সেই কথা জনাই মালৈ এখন চিঠি লিখা।

--------------------------

--------------------------

-------------------------

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

------------------------------------------------------------------------------------------

--------------------------

**Question 4:**

Write the meaning of the following proverbs: **[5 x 2 = 10]**

তলত দিয়া প্ৰৱচন কেইটাৰ অৰ্থ লিখা।

ক) ৰাইজে নখ জোকাৰিলে নৈ বয়।

---

---

---

---

---

---

খ) চোৰ গলে বুদ্ধি বৰষুণ গলে জাপি।

---

---

---

---

---

---